পোৰ্টেল বিলাকে সাংবাদিকতাৰ নীতি-নিয়ম ভংগ কৰি ব্লেক মেইলিঙকে ধৰি একাধিক বেয়া কাম কৰি থকাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। সেয়েহে আহ্বান জনাইছো সকলোৱে নিয়মৰ মাজত থাকি কাম কৰক। অন্যথা আমি কঠোৰ হ'বলৈ বাধ্য হ'ম।

— তথ্য-জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকা

নিৰ্ভীক, নিৰপেক্ষ

অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ৩১০ মঙ্গলবাৰ ৭ আহিন ১৯৪৬ শক ২৪ ছেপ্টেম্বৰ ২০২৪ চন ASOMIYA KHABAR JORHAT TUESDAY 24 SEPTEMBER 2024 দাম ঃ ৭.০০ টকা

শ্ৰমিকবিৰোধী আইন বাতিলৰ দাবীত চিটুৰ ক'লা দিৱস, মহানগৰীত




# ডিএইছএছ কানৈ কলেজত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ ছেপ্টেম্বৰ ঃ ঐতিহ্যমণ্ডিত ডিএইছএছ কানৈ মহাবিদ্যালয়ৰ বাংলা বিভাগৰ উদ্যোগত আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰ আৰু এনএলবি চিটি মহাবিদ্যালয়ৰ সহযোগত ডিএইছএছ কানৈ মহাবিদ্যালয়ত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ সম্পন্ন হয়। 'একবিংশ শতিকাৰ নাৰীবাদ ঃ প্ৰাসংগিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক বিষয়ৰ অনলাইন আৰু অফলাইন মাধ্যমত অনুষ্ঠিত হোৱা এই আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰত মুখ্য বক্তা হিচাপে উপস্থিত থাকি বাংলাদেশৰ শিক্ষাবিদ আৰু লেখক-প্ৰাধ্যাপক শ্বৰীফ আতিকুজ্জামান আৰু অসম বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য-প্ৰাধ্যাপক তপোধীৰ ভট্টাচাৰ্যই নাৰীবাদ সম্পৰ্কে তত্বগধুৰ বক্তৃতা প্ৰদান কৰে। অধ্যাপিকা ড° মৰমী তালুকদাৰে আঁতধৰা আলোচনা-চক্ৰখনৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই দেশ-বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ পৰা এই আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰখনত অংশগ্ৰহণ কৰা অধ্যাপক-গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ লগতে নাৰীবাদ চৰ্চাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য প্ৰদান কৰে। কানৈ মহাবিদ্যালয়ৰ বাংলা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰীতা পোদ্দাৰে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে এনএলবি চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁয়ে। আলোচনা-চক্ৰখনত ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ কাৰ্যবাহী সঞ্চালক ড° অশ্বিনী শৰ্মাই উদ্যোক্তা মণ্ডলীক এনে এক সুন্দৰ বিষয়ত আলোচনা চক্ৰখন অনুষ্ঠিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে দেশ-বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ পৰা আলোচনা-চক্ৰখনত অংশগ্ৰহণ কৰা অধ্যাপক-গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনায়। আলোচনা-চক্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ডলী ফুকনে নাৰীবাদৰ বিকাশ, নাৰীবাদী উদ্যোক্তাৰ পদক্ষেপৰ লগতে একবিংশ শতিকাত সমাজৰ প্ৰেক্ষাপটত নাৰীবাদী দৃষ্টিভংগীৰ প্ৰয়োজনীয়তা সম্পৰ্কে মননশীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, অধ্যাপিকা ড° চন্দনা গোস্বামীৰ উপৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। তিনিটা শাখাত ক্ৰমে— অসমীয়া, ইংৰাজী আৰু বাংলা ভাষাত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰখনত মুঠ ৪৭ খন আলোচনা-পত্ৰ উপস্থাপন কৰা হয়। তিনিওটা শাখাৰে অধ্যক্ষতা কৰে ক্ৰমে — ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° পল্লৱী ডেকা বুজৰবৰুৱা, ডিএইছএছ কানৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মধুমিতা পুৰকায়স্থ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° শেখৰ চক্ৰৱৰ্তীয়ে। অধ্যাপিকা ড° মিতালী চলিহাই আঁতধৰা আলোচনা-চক্ৰখনৰ সামৰণী অনুষ্ঠানত বি চিপিএলৰ ডিজিএম জয়ন্তবৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ধন্যবাদ জ্ঞাপন কৰে উদ্যোক্তাই।